জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৯০/২০২১

# উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে ভিডিঅ’ কনফাৰেন্সিঙৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ বৈঠক

## মদ্যপান কৰি গাড়ী চালনা কৰাৰ বিষয় ৰোধ কৰাৰ দিশত উপযুক্ত পদক্ষেপ লোৱাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৪ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মদ্যপান কৰি গাড়ী চালনা কৰাৰ ফলত হোৱা দুৰ্ঘটনা ৰোধ কৰাৰ অৰ্থে মুখ্যমন্ত্ৰী ভিডিঅ’ কনফাৰেন্সিঙৰ জৰিয়তে জিলাসমূহৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, জিলা পৰিবহন বিষয়া আৰু আবকাৰী বিভাগৰ অধীক্ষকসকলৰ সৈতে এক বৈঠকত মিলিত হৈ এই ক্ষেত্ৰত যথোচিত পদক্ষেপ গ্ৰহণ কৰাৰ বাবে নিৰ্দেশ দিয়ে।

জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত মুখ্যমন্ত্ৰীয়ে পথত মদ্যপান কৰি গাড়ী চালনা কৰা বিশেষকৈ নৱবৰ্ষৰ দৰে উৎসৱৰ বতৰত এনে ঘটনা ৰোধ কৰাৰ দিশত যথোচিত নিষেধাজ্ঞা আৰোপ কৰাৰ বাবে পদক্ষেপ ল’বলৈ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তসকলক জিলা অসামৰিক হাস্পতাল আৰু চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহ পৰিদৰ্শন বিশেষকৈ ৩১ ডিচেম্বৰৰ নিশা পৰিদৰ্শন কৰাৰ বাবে নিৰ্দেশ দিয়ে যাতে হাস্পতালসমূহত পৰ্যাপ্ত চিকিৎসক উপস্থিত থকাটো নিশ্চিত কৰিব পৰা যায় আৰু পথ দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হোৱা সকলক তৎকালীনভাৱে চিকিৎসা সেৱা আগবঢ়াব পৰা যায়। তদুপৰি মুখ্যমন্ত্ৰীয়ে স্বাস্থ্যসেৱা বিভাগৰ যুটীয়া সঞ্চালকক যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব পৰাকৈ পৰ্যাপ্ত এম্বুলেঞ্চ সাজু কৰি ৰাখিবলৈও নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণে উৎসৱ উপভোগ কৰা উচিত কিন্তু এই উৎসৱ উদ্‌যাপন কৰিবলৈ যাওতে কোনো কাৰণতে যাতে সীমাৰ পৰিধি উলংঘা নকৰে সেইটোও নিশ্চিত কৰা উচিত। সকলো জীৱনে মূল্যৱান, সেয়েহে উৎসৱ উপভোগৰ নামত যাতে কোনো ধৰণৰ প্ৰাণহানি নহয় তাৰ ওপৰত আমি গুৰুত্ব আৰোপ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে গাড়ী চালকসকলক মদ্যপান কৰি গাড়ী নচলাবলৈও আহ্বান জনায়। বৈঠকত মুখ্যমন্ত্ৰীয়ে নৈকাষৰীয়া পিকনিকৰ থলীসমূহত আৰক্ষী তথা এছডিআৰএফ বাহিনীৰ জোৱান নিয়োজিত কৰাৰ বাবেও নিৰ্দেশ দিয়ে যাতে সলিল সমাধিৰ লেখীয়া কোনো শোকাৱহ দুৰ্ঘটনা ৰোধ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে গাড়ীৰ গতিৰ তীব্ৰ প্ৰতিযোগিতা এৰাই চলাৰ দিশত উপযুক্ত সজাগতা তথা এই ক্ষেত্ৰত প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে।

ভিডিঅ’ কনফাৰেঞ্চৰ জৰিয়তে অনুষ্ঠিত হোৱা এই বৈঠকৰ সময়ত পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মুখ্য সচিব জিষ্ণু বৰুৱা, বিভিন্ন বিভাগৰ প্ৰধান সচিবসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**২৪-১২-২০২১**